**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 24-01-2026 **Time :** 1205Hrs.

# <u>Assamese Midday Bulletin</u>

০০০০০০০

১। অষ্টাদশ ৰোজগাৰ মেলাত আজি বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা ৬১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক প্ৰধানমন্ত্ৰীৰ নিযুক্তি পত্ৰ বিতৰণ।

২। উত্তৰ-পূৰ্বাঞ্চলত জলপথৰ বিকাশৰ বাবে ৫০০ কোটিৰো অধিক টকা বিনিয়োগ কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

৩। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী নৱ নিৰ্মিত দলঙৰ ওপৰত টোলগেট স্থাপনৰ বাবে নিবিদা আহ্বান চৰকাৰৰ।

**আৰু**

৪। ভাৰত-ভূটান সীমান্তৰ বাক্সাৰ সুৱণখাটাত আয়োজিত ১৪ সংখ্যক ভাৰত-ভূটান মৈত্ৰী মেলাৰ আজি সামৰণি।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অষ্টাদশ ৰোজগাৰ মেলাত বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰতিষ্ঠানত নতুনকৈ নিযুক্তি লাভ কৰা ৬১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি তেওঁ এখন জনসভাতো ভাষণ দিয়ে। দেশৰ ৪৫টা স্থানত এই অষ্টাদশ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। গৃহ মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্তীয় সেৱা, উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগত যুৱক-যুৱতীসকলে নিযুক্তি লাভ কৰিছে। উল্লেখযোগ্য যে, নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত ৰোজগাৰ মেলা চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। সমগ্ৰ দেশতে এই মেলাৰ জৰিয়তে এতিয়ালৈ ১১ লাখতকৈও অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে।

০০০০০০০০০

কেৰালাৰ কোচিৰ ৱাটাৰ মেট্ৰ'ৰ আৰ্হিত অসমৰ গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড় চহৰক সংযোগ কৰি নগৰীয়া জলপথ কেন্দ্ৰ হিচাপে গঢ়ি তোলা ক্ৰুজ জেটি চলোৱাৰ বাবে বিশেষ উদ্যোগ গ্ৰহণ কৰা হৈছে। কেৰালাত অনুষ্ঠিত আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ তৃতীয় অধিৱেশনত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এই কথা প্ৰকাশ কৰে।

*(বাইট ঃ সৰ্বানন্দ)*

মন্ত্ৰী সোণোৱালে কয়, যে নদী জলপথেৰে আঞ্চলিক যোগাযোগ বৃদ্ধিৰ লগতে জীৱিকাৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ উদ্যোশ্যে এই উদ্যোগ গ্ৰহণ কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চলত জলপথৰ বিকাশৰ বাবে ৫০০ কোটিৰো অধিক টকা বিনিয়োগ কৰি ৮৫ টা জেটিৰ বিকাশ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে। এই প্ৰকল্পসমূহে ৰাজ্যৰ আৰ্ন্তদেশীয় জলপথ পৰিকাঠামোক যথোষ্ট শক্তিশালী কৰি তোলাৰ লগতে নদী ক্ৰুজ পৰ্যটনক উৎসাহিত কৰিব বুলি মন্ত্ৰী সোণোৱালে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই পদক্ষেপ সমূহে ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি বাণিজ্য,

নিয়োগ আৰু দীৰ্ঘম্যাদী বিকাশৰ নতুন সংযোগ সৃষ্টি কৰিব। তেওঁ এই বৈঠকত ১৫০০ কোটি টকাৰো অধিক মূল্যৰ প্ৰকল্প ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰি কয়, যে এই পদক্ষেপে সেউজ গতিশীলতা ত্বৰান্বিত কৰাৰ লগতে মাল্টিমডেল ল'জিষ্টিক শক্তিশালী কৰা আৰু নদী নিৰ্ভৰ অৰ্থনৈতিক বিকাশক প্ৰসাৰিত কৰাৰ লক্ষ্য ৰাখিছে।

০০০০০

গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী নৱ নিৰ্মিত দলঙৰ ওপৰত টোলগেট স্থাপনৰ বাবে ৰাজ্য চৰকাৰে নিবিদা আহ্বান কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথত থকা টোলগেটৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ মন্ত্ৰালয়ে টোল সংগ্ৰহ কৰে যদিও লোকনিৰ্মাণ বিভাগে কালি গুৱাহাটী-উত্তৰ গুৱাহাটী টোলগেটৰ বাবে নিবিদা আহ্বান কৰে। ইয়াৰ জৰিয়তে ৰাজ্য চৰকাৰে টোলগেটৰ দ্বাৰা প্ৰথম বাৰলৈ কৰ সংগ্ৰহৰ আঁচনি লৈছে। এই টোলগেট নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগে ৬ কোটি ১১ লাখ ৬০ হাজাৰ টকাৰ নিবিদা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, কুমাৰ ভাস্কৰ বৰ্মা সেতু হিচাপে নামকৰণ কৰা এই দলংখন অহা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰাৰ কথা। ২০১৯ চনৰ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দলংখনৰ আধাৰশিলা স্থাপন কৰিছিল।

০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পেৰেডত নতুন দিল্লীত অসমৰ পোৰামাটি শিল্পৰ প্ৰতীকপট প্ৰদৰ্শন কৰা হ'ব। ধুবুৰীৰ আশাৰিকান্দিৰ  ভৌগোলিক সূচ্যাংকৰ পৰিচিতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাতো প্ৰস্তুতি চলি আছে। ইয়াৰ বাবে জিলা সদৰসমূহত কুচকাৱাজৰ অনুশীলন কৰি থকা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা অনাবৰণ কৰিব। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২৪টা দলে কুচকাৱাজৰ অনুশীলন অব্যাহত ৰাখিছে। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা।

ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পতাকা অনাবৰণ কৰিব। ইয়াৰ বাবে দিনে-নিশাই প্ৰস্তুতি চলাই থকা হৈছে। ডিব্ৰুগড় মহানগৰত গণৰাজ্য দিৱস উপলক্ষে আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। সমাগত গণৰাজ্য দিৱসৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয় ২৬ জানুৱাৰীলৈকে খোলা ৰাখিবলৈ জিলা আয়ুক্তই এখন জাননী জাৰি কৰিছে। তদুপৰি জিলা প্ৰশাসনে ২৫ জানুৱাৰীৰ পুৱা ৮ বজাৰ পৰা ২৭ জানুৱাৰীৰ দিনৰ ১২ বজালৈ ডিব্ৰুগড় পৌৰ নিগম এলেকাৰ ভিতৰত আৰু খনিকৰ চাৰিআলিৰ পৰা ডিব্ৰুগড় চহৰলৈ ডাম্পাৰ, নিৰ্মাণ সামগ্ৰী সৰবৰাহ কৰা যান-বাহন তথা অন্যান্য গধুৰ যান-বাহনৰ চলাচল নিষিদ্ধ কৰিছে।

০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত অনুষ্ঠিত ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাৰ আজি সামৰণি পৰিব।  মেলাৰ মুখ্য আকৰ্ষণ ঐতিহাসিক বিনিময় প্ৰথাৰ হাটত পাহাৰৰ মামা-মামীসকলে থলুৱাভাৱে উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰী ভৈয়ামৰ লোকসকলৰ অন্যান্য সামগ্ৰীৰ সৈতে আদান-প্ৰদান কৰে। ইয়াৰ পাছতে জোনবিলৰ পাৰত পৰম্পৰাগত কুকুৰা যুঁজ আৰু সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত

হয়। গোভা ৰজা দীপসিং দেওৰজাই সমূহীয়া মাছ ধৰা পৰ্ব মুকলি কৰে। এই মেলাৰ সৈতে সংগতি ৰাখি তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হৈছে।

তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জোনবিল মেলাত কালি মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীৰ অনুপস্থিতিত ৰাজ্য চৰকাৰৰ প্ৰতিনিধি হিচাপে মন্ত্ৰী পীযুষ হাজৰিকাই তিৱা ৰজাসকলক ৰাজভাট্টা প্ৰদান কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে জনজাতীয় সংৰক্ষিত এলেকাত কোনোধৰণৰ দখল আৰু ঔদ্যোগিক প্ৰতিষ্ঠান স্থাপন কৰা নহয় বুলিও মন্তব্য কৰে।

০০০০০০০

চুবুৰীয়া ৰাষ্ট্ৰ ভূটান সীমান্তৰ বাক্সা জিলাৰ সুৰণখাটাত ৯দিনীয়া কাৰ্যসূচীৰে আয়োজিত ১৪ সংখ্যক ভাৰত-ভূটান মৈত্ৰী মেলাৰ আজি সামৰণি পৰিব। ইয়াৰ লগতে মাঘৰ দোমাহীৰ পৰা আৰম্ভ হোৱা মাঘ মেলাৰো অন্ত পৰিব। ৰাজ্যৰ বিভিন্ন জাতি-জনজাতিৰ লগতে ভূটানৰ বিভিন্ন জনগোষ্ঠীৰ বাৰে-ৰহণীয়া সাংস্কৃতিক বৈচিত্ৰক এই মেলাত প্ৰদৰ্শন কৰা হয়। বড়ো, ৰাভা, গোৰ্খা, চাওতালি, কোচ ৰাজবংশীৰ লগতে ভূটানৰ লোকসকলে পৰম্পৰাগত লোকনৃত্য-গীত-মাতেৰে মেলাৰ আটাইকেইটা দিন মুখৰিত হৈ পৰে। এই মেলাত ভূটানত জৈৱিকভাৱে উৎপাদিত খাদ্য সামগ্ৰীৰ বিপনীত ভালেমান লোকে ভিৰ কৰা পৰিলক্ষিত হয়। এইবাৰৰ মেলাত ভূটানৰ খাদ্য সামগ্ৰীৰ জুতি লবৰ বাবে মেলা থলীলৈ যোৱা লোকসকলক আকৰ্ষিত কৰা পৰিলক্ষিত হয়। এই বন্ধুত্ব মেলাৰ জৰিয়তে ভাৰত-ভূটানৰ মাজৰ বন্ধুত্বৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ লগতে দেশ দুখনৰ মাজত বাণিজ্যিক দিশৰ উত্তৰণ ঘটিব বুলি আশা কৰা হৈছে। আজিৰ সামৰণি অনুষ্ঠানত বি টি ছিৰ মুখ্যকাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী আৰু ৰাজ্যৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা।

০০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকমুহূৰ্তত আকাশবাণী গুৱাহাটীৰ ‘দৃষ্টিপাত’ অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত ‘মোৰ বাবে গণতন্ত্ৰৰ অৰ্থ’ শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ’ব। আলোচনাত অংশগ্ৰহণ কৰিব জ্যেষ্ঠ নাগৰিকৰ প্ৰতিনিধি ড০ সূৰ্য দাস, মহিলা সমাজৰ প্ৰতিনিধি মিনাক্ষী কাকতি আৰু ছাত্ৰ সমাজৰ প্ৰতিনিধি অৰুণাভ হাজৰিকাই। অনুষ্ঠানৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ’ব। যোৱা নিশা ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত শৃংখলাটোৰ দ্বিতীয়খন খেলত ভাৰতে নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে। ইয়াৰ জৰিয়তে ভাৰতে শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰে। যোৱা নিশাৰ খেলখনত বিজয়ৰ বাবে নিউজিলেণ্ডে ভাৰতক ২০৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত ভাৰতে ১৫ অভাৰ আৰু দুটা বলত ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। অধিনায়ক সূৰ্য কুমাৰ যাদৱে ৩৭ টা বলত ৮২ ৰান কৰি আউট নোহোৱাকৈ থাকে। ঈষাণ কিষাণে ৩২ টা বলত ৭৬ ৰান আৰু শিৱম ডুবেই ১৮টা বলত ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ হৈ মেট হেনৰি, জেকফ ডাফি আৰু ইশ্ব ছ’ধীয়ে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে আলহী দলটোৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ’ভাৰত ৬ উইকেটৰ

বিনিয়মত ২০৮ ৰান সংগ্ৰহ কৰে। অধিনায়ক মিচ্ছেল ছেণ্টনাৰে সৰ্বাধিক ৪৭ আৰু ৰাচিন ৰবীন্দ্ৰই ৪৪ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে দুটা উইকেট দখল কৰে। হাৰ্ডিক পাণ্ডিয়া, হৰ্ষিত ৰাণা, শিৱম ডুবে আৰু বৰুণ চক্ৰৱৰ্তীয়ে এটাকৈ উইকেট লাভ কৰে। ঈষাণ কিষাণক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। ০০০০০০০